**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-05-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি। কাইলৈ দেশৰ ৯খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ।

২। অসমীয়া মূলৰ ব্ৰিটিছ নাগৰিক আয়েশা ইউছুফ হাজৰিকা ব্ৰিটেইনৰ উচ্চ সদন হাউছ অব লৰ্ডছৰ সদস্য হিচাপে মনোনীত।

৩। চলিত বৰ্ষৰ পৰা ফাৰ্মাচী বিষয়ত শিক্ষা গ্ৰহণৰ বাবে প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব বুলি শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ প্ৰকাশ।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল। প্ৰথমখনত ৰাজস্থান ৰয়েলছ-চেন্নাই ছুপাৰ কিংছৰ আৰু দ্বিতীখখন খেলত দেলহি কেপিটেলছ-ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন।

oooooo

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে কালি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰে। এই পৰ্যায়ত কাইলৈ দেশৰ ৯খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। চতুৰ্থ পৰ্যায়ৰ সমান্তৰালভাৱে অন্ধ্ৰপ্ৰদেশৰ ১৭৫ জনীয়া বিধানসভাৰ আটাইকেইখন আসন আৰু ওড়িশাৰ ১৪৭ খন আসনৰ ২৮ খনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

প্ৰচাৰ অভিযানৰ অন্তিম দিনটোত সকলো ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ওড়িশাৰ বৰগড়ত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ কয় যে, কংগ্ৰেছে দেশৰ সংবিধান সলনি কৰিব বিচাৰে। কংগ্ৰেছে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীক প্ৰদান কৰা সংৰক্ষণ বন্ধ কৰি দলৰ ভোটবেংকৰূপে পৰিচিত লোকসমূহক প্ৰদান কৰিব বিচাৰে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ওড়িশাৰ মুখ্যমন্ত্ৰী আৰু বিজেডিৰ মুৰব্বী নবীন পাটনায়কক সমালোচনা কৰি শ্ৰীমোদীয়ে কয় যে, ওড়িশা চৰকাৰ বাহিৰৰ লোকৰ দ্বাৰা পৰিচালিত হৈ আহিছে। শ্ৰীপাটনায়কক বাহিৰৰ ৰাস্তা দেখুৱাৰ সময় আহি পৰিছে বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বিহাৰৰ বেগুচৰাইত প্ৰচাৰ চলায়। প্ৰচাৰৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত ড০ শৰ্মাই কয় যে, বিজেপিৰ শক্তিশালী নেতৃত্বৰ অধীনত অহা কেইবছৰমানৰ ভিতৰত পাক অধিকৃত কাশ্মীৰক পুনৰ ভাৰতৰ সৈতে

চামিল কৰা হ'ব। সন্ত্ৰাসবাদী সংগঠনৰ বিৰুদ্ধে চলোৱা চাৰ্জিকেল ষ্ট্ৰাইকক লৈ প্ৰশ্ন কৰাৰ বাবে কংগ্ৰেছ দলক সমালোচনা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, পাক অধিকৃত কাশ্মীৰত ভাৰতৰ প্ৰতি সমৰ্থন বৃদ্ধি পাইছে।

ইফালে, আৰ জে ডিৰ জ্যেষ্ঠ নেতা তেজস্বী প্ৰসাদ যাদৱে দৰভাংগাত দলৰ প্ৰাৰ্থী ললিত কুমাৰ যাদৱৰ হৈ প্ৰচাৰ চলাই বিজেপিয়ে ৰাজনৈতিক লাভালাভৰ বাবে সংৰক্ষণ ব্যৱস্থা প্ৰত্যাহাৰ কৰাৰ আৰু দেশৰ সংবিধান দুৰ্বল কৰাৰ চেষ্টা চলাইছে বুলি অভিযোগ তোলে। বিৰোধী মিত্ৰজোঁট ক্ষমতালৈ আহিলে প্ৰতি বছৰে ১ কোটি চৰকাৰী চাকৰি প্ৰদান কৰিব বুলি বিহাৰৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

আনহাতে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে কালি মোদী চৰকাৰে ৰাজনৈতিক প্ৰতিশোধৰ বাবে বিধি বলবৎকাৰী সঞ্চালকালয় আৰু চি বি আইৰ দৰে কেন্দ্ৰীয় সংস্থাসমূহ ব্যৱহাৰ কৰি ৰাজনৈতিক প্ৰতিদ্বন্দ্বিসমূহক লক্ষ্য কৰি লৈছে বুলি অভিযোগ উত্থাপন কৰে। তেওঁ মুদ্ৰাস্ফীতি, দৰিদ্ৰতা আৰু কৰ্মসংস্থাপনহীনতাৰ দৰে বিষয়সমূহৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মৌনতাক লৈও প্ৰশ্ন উত্থাপন কৰে।

ইপিনে, কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী বাদ্ৰাই কালি উত্তৰ মহাৰাষ্ট্ৰৰ জনজাতীয় অধ্যুষিত নন্দুৰবাৰ জিলাত দলৰ হকে প্ৰচাৰ চলায়। প্ৰচাৰ অভিযানত তেওঁ মণিপুৰৰ হিংসাত্মক ঘটনাক লৈ এন ডি এ চৰকাৰক সমালোচনা কৰে। নৰেন্দ্ৰ মোদী চৰকাৰে হাথৰছৰ দৰে ঘটনাক লৈ আৰু পদক বিজয়ী মহিলা মল্লযোদ্ধাসকলৰ দাবীক লৈ মৌনতা অৱলম্বন কৰি আহিছে বুলি নেত্ৰীগৰাকীয়ে অভিযোগ উত্থাপন কৰে।

০০০০০০

অসমীয়া মূলৰ ব্ৰিটিছ নাগৰিক আয়েশা ইউছুফ হাজৰিকা ব্ৰিটেইনৰ উচ্চ সদন হাউছ অব লৰ্ডছৰ সদস্য হিচাপে মনোনীত হৈছে। হাজৰিকা এই সন্মান লাভ কৰা প্ৰথমগৰাকী অসমীয়া। আসনখনক তেওঁ **বেৰ'নেছ হাজৰিকা অব কোটব্ৰীজ** বুলি আখ্যা দিছে। **হাউছ অব লৰ্ডছত**– প্ৰধানমন্ত্ৰীয়ে দিয়া পৰামৰ্শৰ ভিত্তিত ব্ৰিটেইনৰ ৰজাই প্ৰতিনিধিসকলক নিযুক্তি দিয়ে।

উল্লেখযোগ্য যে, ৰাজনৈতিক সমালোচক তথা ব্যংগ শিল্পী হিচাপে পৰিচিত আয়েশা ইউছুফ হাজৰিকাই পূৰ্বে লেবাৰ পাৰ্টীৰ নেতা গৰ্ডন ব্ৰাউন আৰু এড মিলিবেণ্ডৰ বিশেষ উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। হাউছ অব লৰ্ডছত শ্ৰমিক সহকৰ্মী হিচাপে নিযুক্তি লাভ কৰাটো জীৱনৰ বৃহৎ সন্মান বুলি উল্লেখ কৰাৰ লগতে শুভেচ্ছা জ্ঞাপন কৰা আটাইলৈ সামাজিক মাধ্যম যোগে হাজৰিকাই ধন্যবাদ জনায়।

০০০০০০

ৰাজ্যৰ চৰকাৰী বা ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানত ফাৰ্মাচী বিষয়ক স্নাতক ডিগ্ৰী বা ফাৰ্মাচীৰ ডিপ্লমা পাঠ্যক্ৰমত শিক্ষা গ্ৰহণ কৰিবলৈ চলিত বৰ্ষৰ পৰা প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। ৰাজ্যৰ স্বাস্থ্য বিজ্ঞান সংক্ৰান্তীয় শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ডাঃ কৰবী বৰুৱাই এখন জাননীযোগে এই বিষয়ে প্ৰকাশ কৰিছে। চলিত বৰ্ষত এই দুই পাঠ্যক্ৰমত নামভৰ্তি কৰিব বিচৰাসকলে অহা ২৩ জুনত হ'বলগীয়া প্ৰবেশ পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ, যোৰহাট, বৰপেটা, তেজপুৰ, ডিফু, লখিমপুৰ, ধুবুৰী আৰু কোকৰাঝাৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এই পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলৰ পৰা অনলাইনযোগে আবেদন আহ্বান কৰিছে। অহা ১৪ মে'ৰ পৰা ১৯ মে'ৰ ভিতৰত নিৰ্দিষ্ট ৱেবছাইটত

অনলাইন প্ৰ-পত্ৰ পোৱা যাব বুলি বিশ্ববিদ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে। আবেদনৰ বাবে প্ৰয়োজনীয় অৰ্হতা তথা মাচুল আদিৰ সবিশেষ বিশ্ববিদ্যালয়ৰ ৱেবছাইটত পোৱা যাব। শিক্ষাৰ্থীসকলে অধিক তথ্যৰ বাবে ৭৯৭৭২-৫৯৭২৮ হেল্পলাইন নম্বৰত ফোন কৰিব পাৰিব।

০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ISRO-ই Additive Manufacturing প্ৰযুক্তি ব্যৱহাৰ কৰি তৰল ৰকেট ইঞ্জিনৰ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰি নতুন ইতিহাস ৰচনা কৰিছে। তামিলনাডুৰ মহেন্দ্ৰগিৰিত থকা ISRO-ৰ Propulsion Complex অৰ্থাৎ প্ৰণোদন চৌহদত শুকুৰবাৰে এই পৰীক্ষা সম্পন্ন কৰা হয়। নতুনকৈ বিকশাই তোলা এই PS4 ইঞ্জিনত যন্ত্ৰাশৰ সংখ্যা ১৪ৰ পৰা ১ লৈ হ্ৰাস পাইছে। ইয়াৰ ফলত প্ৰতিটো ইঞ্জিনৰ বাবদ ব্যৱহাৰ কৰা কেঁচা সামগ্ৰী ৰাহি হ'ব। ইঞ্জিনটোত ব্যৱহৃত ধাতুৰ পৰিমাণ পূৰ্বৰ ৫৫৬ কিলোগ্ৰামৰ পৰা ১৩ দশমিক ৭ কিলোগ্ৰামলৈ হ্ৰাস পাব আৰু মুঠ উৎপাদন সময়ো ৬০ শতাংশ ৰাহি হ'ব।

নতুন ইঞ্জিনটো PSLV উৎক্ষেপণ যানৰ চতুৰ্থ পৰ্যায় আৰু PSLV উৎক্ষেপণ যানৰ প্ৰথম পৰ্যায়ৰ প্ৰতিক্ৰিয়া নিয়ন্ত্ৰণ প্ৰণালীত ব্যৱহাৰ কৰা হ'ব। ISRO-ই নিয়মীয়া PSLV কাৰ্যসূচীৰ বাবে এই ইঞ্জিন ব্যৱহাৰ কৰাৰ পৰিকল্পনা কৰিছে।

০০০০০০

ঢকুৱাখনাৰ চাৰিকড়িয়া নৈ পাৰত অৱস্থিত ম'হঘূলি চাপৰিত তিনিদিনীয়াকৈ অনুষ্ঠিত ফাট বিহুৰ আজি তৃতীয় তথা অন্তিম দিন। এই উপলক্ষে আজি পুৱাৰ ভাগত সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰা হৈছে। দুপৰীয়াৰ ভাগত ফাট বিহুৰ মূল বৈশিষ্ট মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লিলৈ অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদ প্ৰদান বৰুৱাকে ধৰি কেইবাগৰাকীও মন্ত্ৰী বিধায়ক আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰোধ বৰুৱাই উদ্বোধন কৰিবলগীয়া এই মুকলি সভাত বিহু সম্ৰাট, ঢোলৰ ওজা সোমনাথ বৰাই নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰিব।

ইপিনে কালি দ্বিতীয় দিনাও ম'হঘূলি চাপৰিৰ বিহুতলিত উখল মাখল পৰিবেশে বিৰাজ কৰে। সমন্বয়ৰ বাৰ্তা কঢ়িয়াই অনা এই বিহুৰ কালি দ্বিতীয় দিনা কপৌ ফুল আৰু গছপুলি ৰোপণেৰে কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পিছতে গামোচা প্ৰতিযোগিতা, হুঁচৰি প্ৰতিযোগিতাকে ধৰি বৰ্ণিল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপৰি ফাট বিহুৰ বছৰেকীয়া স্মৰণিকা **বিহুৱান** কালি উন্মোচন কৰা হয়।

০০০০০০

চিৰাং জিলাৰ কাজলগাঁৱত অৱস্থিত জিলা ন্যায়িক আদালত চৌহদ আৰু বিজনী ন্যায়িক আদালত চৌহদত কালি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণ তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশত আৰু চিৰাং জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত সম্পন্ন হোৱা এই লোক আদালতত- ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, ৰাজহ সংক্ৰান্তীয় গোচৰৰ লগতে পথ দুৰ্ঘটনা, বিভিন্ন বেংকৰ ঋণ, টেলিফোন বিল, বিদ্যুৎ মাচুল, আদি বিভিন্ন গোচৰ ব্যয়হীনভাৱে আৰু খৰতকীয়াকৈ নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰা হয়।

জিলাখনৰ আইন প্ৰাধিকাৰীয়ে জনোৱা অনুসৰি পঞ্জীভুক্ত মুঠ ৩ হাজাৰ ৭৭৩ টা গোচৰৰ ভিতৰত ৭৬৮টা নিষ্পত্তি কৰাৰ লগতে গোচৰ নিষ্পত্তিকৰণত ৯১ লাখ ৪৯ হাজাৰ ২৬৫ টকা আদায় কৰা হয়।

ইপিনে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত কালি মাজুলী জিলাতো ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। এই লোক আদালতত মুঠ ৩০টা ধন অনাদায়ৰ গোচৰ, ৩৪টা বিদ্যুৎ বিল অনাদায়ৰ গোচৰ, ১২টা বি এছ এন এলৰ মাচুল অনাদায়ৰ গোচৰৰ লগতে যান বাহন আইন উলংঘা সম্বন্ধীয় ১৭০টা, ফৌজদাৰী আপোচযোগ্য ৮টা, মটৰ দুৰ্ঘটনা ক্ষতিপূৰণৰ এটা, খোৰাকীৰ ১১টাকে ধৰি বহুকেইটা গোচৰ নিষ্পত্তি কৰা হয়।

বৰপেটাতো কালি বৰপেটা জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত জিলাখনৰ বিভিন্ন আদালত প্ৰাংগণত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত কৰি মুঠ ৮ হাজাৰ ৬৮১টা গোচৰৰ ভিতৰত এহেজাৰ ৮৮টা গোচৰ নিষ্পত্তি কৰা হয়।

ইপিনে হাটশিঙিমাৰীতো কালি ৰাষ্ট্ৰীয় লোক আদালতৰ সৈতে সংগতি ৰাখি দক্ষিণ শালমাৰা মানকাচৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত লোক আদালত অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণ তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত হাটশিঙিমাৰীৰ জিলা সত্ৰ ন্যায়াধীশৰ আদালত চৌহদত এই কাৰ্যসূচী গ্ৰহণ কৰা হয়।

আনহাতে ওদালগুৰি জিলাতো কালি জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হয়। এই আদালতত আপোচযোগ্য বিভিন্ন গোচৰ যেনে যান বাহন আইন উলংঘা, দেৱানী গোচৰ, পাৰিবাৰিক গোচৰ, মটৰ দুৰ্ঘটনা, চেক বাউন্স, ৰাজহ সংক্ৰান্তীয় গোচৰ, বেংকৰ লেন দেন আদি বিভিন্ন গোচৰৰ মুঠ এহেজাৰ ৬২৩টা নিষ্পত্তি কৰা হয়। ইয়াৰ লগতে কোকৰাঝাৰ জিলাতো কালি অনুষ্ঠিত লোক আদালতত ভালে সংখ্যক বিচাৰাধীন গোচৰ নিষ্পত্তি কৰা হয়।

০০০০০০

লামডিং মণ্ডলৰ অধীনস্থ জাতিংগা-লামপুৰ আৰু নিউ হাৰাং হাজাও ৰে'ল ষ্টেচনৰ মাজত ৰে'লপথ মেৰামতিৰ কাম চলি থকাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কেইখনমান ৰে'লগাড়ীৰ চলাচল বাতিল কৰাৰ লগতে সময় সূচীৰ সাল-সলনি ঘটোৱা হৈছে। সেই অনুসৰি আজি যাত্ৰা কৰিবলগীয়া ১৫৬১৫ আৰু ১৫৬১৬ গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰা বাতিল কৰা হৈছে। লগতে আলিপুৰদুৱাৰ-লামডিং ইণ্টাৰচিটী এক্সপ্ৰেছ আৰু পৰহিলৈ যাত্ৰা কৰিবলগীয়া আলিপুৰদুৱাৰ-গুৱাহাটী ছিফুং এক্সপ্ৰেছৰ যাত্ৰা বাতিল কৰা হৈছে।

আনহাতে, কামৰূপ এক্সপ্ৰেছ, ব্ৰহ্মপুত্ৰ মেইল, নৰ্থ-ইষ্ট এক্সপ্ৰেছৰ লগতে আন কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰাৰ সময়সূচী সলনি কৰা হৈছে। যাত্ৰীসকলে অধিক তথ্যৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৱেবছাইটত ল'গইন কৰিব পাৰে।

০০০০০০

সাংবাদিক প্ৰয়াত সীমান্ত ভাগৱতীৰ সোঁৱৰণত গুৱাহাটীৰ এটা প্ৰকাশন গোষ্ঠী আৰু সাংবাদিকগৰাকীৰ পৰিয়ালৰ সহযোগত কালি গুৱাহাটী প্ৰেছ ক্লাৱত সাম্প্ৰতিক সময়ত সংবাদ মাধ্যমৰ ভূমিকা আৰু বিশ্বাসযোগ্যতা শীৰ্ষক এটা বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক তথা নাগালেণ্ড বিশ্ববিদ্যালয় আচাৰ্য্য ড০ সমুদ্ৰগুপ্ত কাশ্যপ

আৰু সাংবাদিক প্ৰকাশ মহন্তই স্মাৰক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত সাংস্কৃতিক মহাসভা অসমৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মা, গুৱাহাটী জিলা পুথিভঁৰালৰ প্ৰাক্তন গ্ৰন্থাগাৰীক ৰবিন্দ্ৰ পাঠক আৰু লেখিকা ড০ মন্দিৰা বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত সাংবাদিকতা তথা গণমাধ্যমৰ হকে দীৰ্ঘদিন ধৰি জড়িত কেইবাগৰাকীও ব্যক্তিক সম্ভাষণ জনোৱা হয়।

000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীখখন খেলত দেলহি কেপিটেলছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব।

ইপিনে, কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা কলকাতাত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছক ১৮ ৰানত পৰাস্ত কৰে। বৰষুণৰ বাবে পলমকৈ আৰম্ভ হোৱা খেলখন ১৬ অভাৰলৈ হ্ৰাস কৰা হয়। কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ভেংকটেছ আয়াৰৰ ২১টা বলত কৰা ৪২ ৰানৰ সহায়ত ১৬ অভাৰত ৭টা উইকেট হেৰুৱাই ১৫৭ ৰান কৰে। মুম্বাইৰ হৈ যশপ্ৰীত বুমৰাহ আৰু পীয়ুষ চাওলাই দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত মুম্বাইৰ ইণ্ডিয়ানছ দলে ১৬ অভাৰত ৮টা উইকেট হেৰুৱাই ১৩৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাইৰ হৈ অপেনাৰ ঈশান কিষানে ২২টা বলত ৪০ ৰান কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ হৰ্ষিত ৰাণা, বৰুণ চক্ৰৱৰ্তী আৰু আন্দ্ৰে ৰাছেলে দুটাকৈ উইকেট দখল কৰে।

000000

অসমীয়া মূলৰ আয়েছা ইউছুফ হাজৰিকাই ব্ৰিটিছ সংসদৰ হাউছ অৱ ল'ৰ্ডছলৈ মনোনীত হোৱাৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে ইতিহাস ৰচি লখিমপুৰৰ আয়েছা হাজৰিকাৰ বিৰল কৃতিত্ব, ব্ৰিটেইনত সাংসদ মনোনীত অসম জীয়াৰী শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বাঁহ ফুলাৰ এই সময়ত ফুলৰ গুটি খাবলৈ অহা **বেম্ব' ছীড বাগ** নামৰ ক'লা পোকবিধ বিভিন্ন অঞ্চলত  বিয়পি পৰা বুলি এটা বাতৰি দৈনিক অসম কাকতে বেম্ব' ছীড বাগৰ আতংক, বিশেষজ্ঞৰ অভয়দান, ক্ষতিকাৰক নহয়, আতংকৰ কোনো কাৰণ নাই শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে।

লোকসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে কালি প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ বাতৰিক  দি আছাম ট্ৰিবিউন কাকতে মুখ্য বাতৰিৰ স্থান দিছে। আনহাতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিহাৰ, ঝাৰখণ্ডত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ চলোৱাৰ বাতৰিক নিয়মীয়া বাৰ্তা কাকতে মুখ্য বাতৰিত স্থান দিছে। ইপিনে কাৰাগাৰৰ পৰা জামিনত মুক্তিলাভ কৰি দিল্লী মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আম আদমী পাৰ্টী চমুকৈ আপৰ মুখ্য কাৰ্যালয়ত দলীয় কৰ্মীসকলক সম্বোধন কৰাৰ লগতে এখন সংবাদ মেল সম্বোধন কৰাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে মুখ্য বাতৰিত স্থান দিছে। সুৰাৰ মূল্যবৃদ্ধি আৰু আবকাৰী ৰাজহ সংগ্ৰহ বিষয়ক এটা

বাতৰিক আমাৰ অসম কাকতে বিলাতী সুৰাৰ মূল্যবৃদ্ধিৰ প্ৰকোপত দেশীয় সুৰাৰ বিক্ৰী ব্যাপক বৃদ্ধি, সুৰাপায়ীৰ পৰা ৫ হাজাৰ কোটি টকা ৰাজহ সংগ্ৰহৰ লক্ষ্য দিছপুৰৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শিক্ষা মন্ত্ৰালয় অধীনৰ বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগে আয়োজন কৰা প্ৰকল্প অনুমোদন বোৰ্ডৰ বৈঠকত বিদ্যালয় ত্যাগ কৰা শিশুৰ সংখ্যা হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰক উপযুক্ত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া বুলি এটা বাতৰি দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ অন্যান্য বাতৰিৰ ভিতৰত আছে – কাঁ চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শনৰ বাবে আমন্ত্ৰিত অসমত নিৰ্মিত হিন্দী ছবি কুকি, ফাৰ্মাচী পাঠ্যক্ৰম পঢ়িবলৈ অৱতীৰ্ণ হ'ব লাগিব প্ৰবেশ পৰীক্ষাত, ২৩ জুনত ১০টা কেন্দ্ৰত হ'ব পৰীক্ষা, কাইলৈ উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰসহ ১০খন ৰাজ্যৰ ৯৬টা সমষ্টিত ভোটগ্ৰহণ, ইমৰাণ শ্বাহক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ডি-লিট উপাধি ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত